**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। ড০ শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে টাটা গোট, লাৰ্ছেন এণ্ড টাৰ্বো, মহিন্দ্ৰা গোট আৰু আদানী এয়াৰপোৰ্টৰ দৰে বিশিষ্ট উদ্যোগপতি আৰু উদ্যোগজগতৰ কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ উপৰি ছান ফাৰ্মা, লক্ষ্মী টি, ঝ ব ঢ, ৰেলস্পুন গ্ৰুপ আৰু আন আন প্ৰতিষ্ঠানৰ নেতাসকলকৰ সৈতে অসমত কৌশলগত বিনিয়োগৰ বাবে উপায় বিচাৰি তেওঁ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিস্তৃত বিনিয়োগ সম্ভাৱনা উদঘাটন কৰাৰ বাবে সহায় আগবঢ়াবলৈও তেওঁলোকক অনুৰোধ জনায়। ড০ শৰ্মাই আজি এইচ ডি এফ চি বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদিশনক সাক্ষাৎ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে তেওঁক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে দক্ষ আৰু অনুশাসন মানি চলা কৰ্মশক্তিৰ জৰিয়তে দেশৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগক কেইবাটাও সুযোগ প্ৰদান কৰি আহিছে।

উল্লেখযোগ্য যে অসম চৰকাৰে ঔদ্যোগীক অংশীদাৰ ফিক্কিৰ সহযোগত কাইলৈ মুম্বাইত এটা বিশেষ ৰোড শ্ব'ৰ আয়োজন কৰিছে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৰাজ্যখনত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলন ২০২৫ৰ এটি পূৰ্বভাষৰূপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই ৰোড শ্ব'ৰ নেতৃত্ব দিব।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰিৰ ভোজো মাজ পথাৰত তিনি দিনীয়া কাৰ্যসূচীৰে আয়োজিত টাই-আহোম যুৱ পৰিষদৰ ষষ্ঠ কেন্দ্ৰীয় অধিৱেশনৰ আজি সামৰণি পৰে। আজিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰে। নিজৰ ভাষণত শ্ৰী মাৰ্ঘেৰিটাই কয়, যে বহু বীৰ বীৰাংগণাৰ বীৰত্বৰ স্মৃতি গাঁথা, সংগ্ৰাম তথা শৌৰ্য্য-বীৰ্যৰে আহোমৰ ইতিহাস সমৃদ্ধ। এনে চহকী ইতিহাসৰ সংৰক্ষণ আৰু সন্মানাৰ্থে অসম চৰকাৰে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। আজি অন্তিম দিনা সোণাৰী ৰাজহুৱা খেলপথাৰৰ পৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। নিশাৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০

অসম চৰকাৰে অহা ১৭ জানুৱাৰীত চলিত বছৰৰ শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি শিল্প সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিক শিল্পী বঁটা, নটসূৰ্য ফণী শৰ্মা বঁটা আৰু সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটাৰে সন্মানিত কৰিব।

বিশিষ্ট কণ্ঠশিল্পী ড০ অনিমা চৌধুৰী আৰু লোকশিল্পী মুকুল ৰাভাক ২০২৫ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা ড০ অনিমা চৌধুৰী আকাশবাণী আৰু দূৰদৰ্শনৰ এ-গ্ৰেড স্বীকৃতিপ্ৰাপ্ত শিল্পী। তেওঁ অসমৰ লোক গীত-মাতসমূহ সুৱদি কণ্ঠৰেৰে পৰিৱেশন কৰি শ্ৰোতা ৰাইজক মুগ্ধ কৰি আহিছে। একেদৰে কেইবাখনো ৰাভা লোক সংগীতৰ শ্ৰব্য গীতৰ সঁফুৰাত কণ্ঠদান কৰা মুকুল ৰাভাই ৫খন গ্ৰন্থ ৰচনাৰে সাহিত্যৰ ভঁৰালো সমৃদ্ধ কৰিছে।

২০২৪ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ আগবঢ়োৱা হ'ব। ভালেসংখ্যক চলচ্চিত্ৰত অভিনয়েৰে দৰ্শকৰ সুপৰিচিত ৰেবা ফুকনে ভ্ৰাম্যমান নাটকত শক্তিশালী অভিনয়েৰে অগণন দৰ্শকক মোহিত কৰি ৰাখিছে। সাহিত্যচাৰ্য অতুল চন্দ্ৰ বঁটা প্ৰবীন অভিনেত্ৰী হিৰা নেওগক প্ৰদান কৰা হ'ব। অভিনেত্ৰীগৰাকীয়ে কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু নাটকত অনবদ্য অভিনয়েৰে ৰাজ্যখনৰ অভিনয়ক্ষেত্ৰক সমৃদ্ধ কৰিছে। ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক প্ৰদান কৰা হ'ব। শ্ৰীব্ৰহ্মই নিজৰ অৱদানেৰে সমাজখনলৈ যথেষ্ট অৰিহণা যোগাই আহিছে বুলি সংবাদমেলত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ৰামধেনু উৎসৱৰ আজি চতুৰ্থ দিনা শিশু আৰু চেমনীয়াৰ শাৰীৰিক-মানসিক আৰু বৌদ্ধিক বিকাশৰ লক্ষ্যৰে মৌ মেলৰ আয়োজন কৰা হয়। এই উপলক্ষে ৪ টা শাখাত আয়োজিত চিত্ৰাংকণ প্ৰতিযোগিতাৰ ক শাখাত প্ৰিন্সিকা শৰণীয়া, খ শাখাত সংস্কৃতি মহন্ত, গ শাখাত পৰিস্মীতা ডেকা আৰু ঘ শাখাত নীতামণি পাতিৰে প্ৰথম স্থান লাভ কৰে। দিনৰ ভাগত থলুৱা খাদ্যৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি আয়োজিত পুতলা নাচৰ অনুষ্ঠানত কামৰূপৰ সাগৰিকা পুতলা থিয়েটাৰৰ প্ৰযোজনাত পুতলা নাট তেজিমলা আৰু কেলিগোপাল মঞ্চস্থ কৰা হয়। ইয়াৰ পাছতে সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ooooo

দৰং জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সাধাৰণ সভা এখন আজি মঙলদৈ যুথ ক্লাবৰ সভাকক্ষত অনুষ্ঠিত হয়। সন্মিলনৰ কাৰ্যকৰী সভাপতি কমলাকান্ত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত মুক্তি যুঁজাৰুৰ পৰিয়ালে অসম চৰকাৰৰ পৰা লাভ কৰা মাহিলী পেন্সনৰ নিৰিখ পূৰ্বতকৈ বৃদ্ধি, পৰিচয় পত্ৰ প্ৰদান, মুক্তি যুঁজাৰু পৰিয়ালৰ সদস্যৰ বাবে তৃতীয়, চতুৰ্থবৰ্গৰ চাকৰি, চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক পাঠ্যক্ৰমত আসন সংৰক্ষণ আদিকে ধৰি বিভিন্ন বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। সভাত জিলাখনৰ মুক্তি যুঁজাৰু পৰিয়ালৰ শতাধিক সদস্যই অংশগ্ৰহণ কৰে।

ooooo

নতুন দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত অনুষ্ঠিত সদৌ ভাৰত অসামৰিক সেৱা বেডমিণ্টন চেম্পিয়নশ্বিপত শ্বিলঙৰ আৰ এছ বি মহিলা বেডমিণ্টন দলে পাটনাৰ আঞ্চলিক ক্ৰীড়া বৰ্ডক ২-০ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ লাভ কৰিছে। প্ৰথম একক খেলত আৰ এছ বি, শ্বিলঙৰ অমোলিকা সিং চিছোদিয়াই বিভা

কুমাৰীক ২১-১১, ২১-১২ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, প্ৰথম ডাবলছ্ খেলত শ্বিলঙৰ অমোলিকা সিং চিছোদিয়া আৰু পিংকি কাৰ্কিয়ে চিমৰন কলিতা আৰু দিপালী গুপ্তক ২১-১৪, ২১-১৬ ব্যৱধানত পৰাস্ত কৰে। ইফালে, আৰ এছ্ বি, শ্বিলঙৰ পুৰুষ দলেও ২৩ বছৰৰ পিছত ফাইনেলত উপনীত হৈছিল যদিও আৰ এছ্ বি, ছিমলাৰ হাতত ২-৩ ব্যৱধানত পৰাজিত হৈছিল।

ooooo

সমাপ্ত